# ধুমুহাৰ পিছত নিজকে
# লেপ্ট'স্পাইৰ'ছিছৰ
# পৰা সুৰক্ষিত কৰক

অসম চৰকাৰ

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

World Health Organization

**লেপ্ট'স্পাইৰ'ছিছ এবিধ বেক্টেৰিয়াজনিত ৰোগ । এই ৰোগ বানপানী বা ঘূৰ্ণী বতাহৰ পিছত প্ৰদূষিত পানী গা ধোৱা বা খোৱাৰ কাৰণে ব্যৱহাৰ কৰিলে বিয়পে।**

## নিম্নোক্ত কাৰকসমূহৰ সংস্পৰ্শলৈ আহিলে কোনো ব্যক্তি এই ৰোগত আক্ৰান্ত হ'ব পাৰে

- আক্ৰান্ত জন্তু যেনে - নিগনি, কুকুৰ, পোহনীয়া জন্তু, গাহৰি আদিৰ প্ৰস্ৰাৱ
- বানপানী, নদী বা নিজৰাৰ পানী, অসুৰক্ষিত টেপৰ পানী, ভিজা মাটি নাইবা আক্ৰান্ত জন্তুৰ প্ৰস্ৰাৱৰ দ্বাৰা প্ৰদূষিত খাদ্য



**এইবিধ বেক্টেৰীয়া কটা ছিঙা বা ঘহনি বা চকু, নাক আৰু মুখেৰে মানৱ শৰীৰত প্ৰবেশ কৰে।**

## কেনেকৈ প্ৰতিৰোধ কৰিব

নদী পাৰ নহ'ব, যিকোনো ধৰণৰ পানীত সাতোৰা, গা ধোৱা, মুৰ তিওৱা বা সেৱন কৰাৰ পৰা বিৰত থাকক, কাৰণ এই পানী বানপানী ৰা আক্ৰান্ত জন্তুৰ প্ৰস্বাৰৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে।

কটা-ছিঙা বা ঘহনি খোৱা ঠাই ডোখৰ পানী সোমাব নোৱাৰাকৈ বান্ধি ৰাখক ।

খালী ভৰিৰে বাহিৰত খোজ নাকাঢ়িব । পানী প্ৰতিৰোধী কাপোৰ, জোতা, হাত মোজা আদি পিন্ধিহে মাটিত খোজ কাঢ়িব কাৰণ এই মাটি সংক্ৰমিত হৈ থাকিব পাৰে।

সংক্ৰমিত পানী খোৱাৰ উপযোগী কৰিবলৈ উতলাই খাব।

খোৱা বস্তু সদায় ঢাকি ৰাখিব আৰু নিগনি আদিৰ পৰা বাচি থকিবলৈ চেপা ব্যৱহাৰ কৰক ।

## লক্ষণসমূহ




## চিকিৎসা গ্ৰহণ কৰক

যদিহে আপোনাৰ এই ৰোগৰ লক্ষণে দেখা দিছে তেন্তে ততালিকে চিকিৎসকৰ পৰামৰ্শ লওঁক । সোনকালে চিকিৎসা গ্ৰহণ কৰিলে আৰু এন্টিবায়'টিক সেৱন কৰিলে এই ৰোগৰ বিষম পৰ্যায় পোৱাত বাধা দিব পাৰি । চিকিৎসা অবিহনে এই ৰোগ গুৰুতৰ পৰ্যায়লৈ যাব পাৰে। এই ৰোগৰ ফলত যকৃত আৰ বৃক্কৰ বিকল হোৱা, মেনিঙ্গিটিছ, উশাহ লোৱাত কষ্ট, তেজ ওলোৱা আৰু কিছু কিছু ক্ষেত্ৰত মৃত্যু পৰ্যন্ত হ'ব পাৰে ।